**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-09-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। দেশত আজিৰেপৰা নতুন প্ৰজন্মৰ জি এছ্ টি সংস্কাৰ কাৰ্যকৰী হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন জি এছ্ টি সংস্কাৰক সঞ্চয় উৎসৱ বুলি উল্লেখ কৰিছে।

২। দেশৰ দৰিদ্ৰ, যুৱ প্ৰজন্ম, কৃষক আৰু মহিলাসকলৰ উন্নয়নৰ ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টিৰ সংস্কাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তৃতা সম্বলিত দুখন গ্ৰন্থ উন্মোচন কৰে।

৪। দেশৰ প্ৰতিৰক্ষা উদ্যোগত এক লাখ ৫০ হাজাৰ কোটি টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰা হৈছে।

আৰু

৫। ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি এছ্ টিৰ পৰিৱৰ্তনক পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ বুলি উল্লেখ কৰি কয়, যে এই ব্যৱস্থাই ভাৰতৰ অৰ্থনীতি সবল কৰাৰ লগতে মধ্যবিত্ত, যুৱ আৰু উপভোক্তাসকলক সকাহ দিব। আজি নৱৰাত্ৰিৰ প্ৰথম দিনটোৰ পৰা কাৰ্যকৰী হ'বলগীয়া জি এছ্ টিৰ নতুন সংস্কাৰৰ সন্দৰ্ভত কালি দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। এই নতুন জি এছ্ টি সংস্কাৰক সঞ্চয় উৎসৱ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই ব্যৱস্থাই কৰ ৰাহি কৰাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাস কৰিব। এই নতুন কৰ সংস্কাৰৰ জৰিয়তে দেশে আত্মনিৰ্ভৰ ভাৰতৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে।

বাইট

আজিৰে পৰা প্ৰযোজ্য হোৱা নতুন জি এছ্ টিত পূৰ্বৰ ১২ আৰু ২৮ শতাংশ কৰ আঁতৰাই ৫ আৰু ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে।

০০০০০

নেপালৰ নৱ-নিৰ্বাচিত প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কিয়ে তেওঁৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনৰ বাবে ৫ গৰাকী নতুন মন্ত্ৰীৰ নাম ঘোষণা কৰিছে। দেশখনৰ সৰ্বোচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশ অনিল কুমাৰ সিন্‌হাক উদ্যোগ, বাণিজ্য আৰু যোগান, আইন আৰু ন্যায় দপ্তৰৰ লগতে ভূমি সংস্কাৰ, সমবায় আৰু দাৰিদ্ৰ্য দূৰীকৰণ দপ্তৰৰ দায়িত্ব অৰ্পণ কৰা হ'ব। দেশখনৰ শিক্ষা খণ্ডৰ সৈতে জড়িত এগৰাকী আগশাৰীৰ ব্যক্তি মহাবীৰ পুণক শিক্ষা দপ্তৰৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হ'ব। উল্লেখযোগ্য যে শ্ৰীপুণ হৈছে ৰামন মেগ্‌ছেছে বঁটাৰে সন্মানিত এগৰাকী শিক্ষাবিদ। কৃষিখণ্ডৰ বিশেষজ্ঞ মদন প্ৰসাদ পাৰিয়াৰক দেশখনৰ কৃষিমন্ত্ৰী পদত অধিষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। জলবায়ু আৰু কৃষিক্ষেত্ৰৰ বিশেষজ্ঞ হিচাপে সু-পৰিচিত পাৰিয়াৰে অলাভজনক সংস্থা সমতা ফাউণ্ডেচনৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ লগতে দেশখনৰ এখন উচ্চ পৰ্যায়ৰ পুনৰ গঠন আয়োগৰ সমন্বয়ক হিচাপেও দায়িত্ব পালন কৰিছিল। শ্ৰীলংকাৰ এগৰাকী আগশাৰীৰ সাংবাদিক জগদীশ খাণ্ডেলক দেশখনৰ তথ্য আৰু যোগাযোগ দপ্তৰৰ মন্ত্ৰী হিচাপে নিযুক্তি দিয়া হ'ব। আনহাতে, পূৰ্বৰ শ্ৰীলংকা চৰকাৰৰ স্বাস্থ্য মন্ত্ৰালয়ত অতিৰিক্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰা সংগীতা মিশ্ৰক ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌড়েলে নতুন চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী হিচাপে নিযুক্তি দিব। উল্লেখযোগ্য যে দেশখনৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনত ইতিপূৰ্বে তিনিগৰাকী মন্ত্ৰীক দায়িত্ব অৰ্পণ কৰা হৈছে। সেই অনুসৰি ৰামেছ'ৰ খনালে বিত্ত মন্ত্ৰী হিচাপে,

কুলমান ঘিচিঙে শক্তি, জলসম্পদ আৰু জলসিঞ্চন দপ্তৰৰ মন্ত্ৰী হিচাপে আৰু ওম প্ৰকাশ আৰিয়ালে গৃহ দপ্তৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

০০০০০০০০০

দেশৰ দৰিদ্ৰ, যুৱ প্ৰজন্ম, কৃষক আৰু মহিলাসকলৰ উন্নয়নৰ ক্ষেত্ৰত পৰৱৰ্তী প্ৰজন্মৰ সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ টিৰ সংস্কাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সামাজিক মাধ্যমৰ এলানি বাৰ্তাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জি এছ টি সংস্কাৰৰ পদক্ষেপক প্ৰশংসা কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে নতুন সংস্কাৰে ভালেসংখ্যক সামগ্ৰীৰ ক্ষেত্ৰত জি এছ টিৰ হাৰ হ্ৰাস কৰি সামগ্ৰিকভাৱে জনসাধাৰণৰ ব্যয় হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ইয়াৰ ফলত দেশৰ অৰ্থনীতিৰ বিকাশ দ্ৰুত হোৱাৰ লগতে ভাৰত বিশ্বৰ অন্যতম সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ পথ প্ৰশস্ত হ'ব বুলি তেওঁ কয়। শ্ৰী শ্বাহে কয়, যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে জি এছ টিৰ নতুন সংস্কাৰৰ জৰিয়তে মধ্যবিত্তসকলৰ সঞ্চয় বৃদ্ধি কৰি তেওঁলোকক অপাৰ সুবিধা লাভৰ সুযোগ দিব। দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীসমূহৰ লগতে স্বাস্থ্য সেৱা আৰু বৈদ্যুতিন সামগ্ৰীৰ ক্ষেত্ৰত কৰ হ্ৰাস হোৱাৰ ফলত জনসাধাৰণৰ ক্ৰয় ক্ষমতাও বৃদ্ধি পাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

দেশবাসীক সম্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে জনসাধাৰণক স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে আহ্বান জনোৱাৰ লগতে পৰৱৰ্তী প্ৰজন্মই জি এছ টি সংস্কাৰ কিদৰে আত্মনিৰ্ভৰতা বৃদ্ধি কৰিব সেই বিষয়েও আলোকপাত কৰে।

কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে জি এছ টিৰ বৃহৎ সংস্কাৰৰ কাৰ্যকৰীকৰণৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। আজিৰে পৰা কাৰ্যকৰী হোৱা জি এছ টি সংস্কাৰ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি সংবাদমেলত কয়, যে এই সংস্কাৰে সমগ্ৰ দেশৰ মধ্যবিত্ত শ্ৰেণী, দুখীয়া আৰু নিম্ন আয়ৰ লোকসকলক যথেষ্ট সকাহ দিয়াৰ লগতে দেশৰ ১৪০ কোটি নাগৰিকক উপকৃত কৰিব।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তৃতা সম্বলিত দুখন গ্ৰন্থ উন্মোচন কৰে। ' ছবকা ছাথ ছবকা বিকাশ ছবকা বিশ্বাস ছবকা প্ৰয়াস' শীৰ্ষক এই সংকলন দুটাৰ উন্মোচনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী মোডীক দেশ আৰু বিদেশৰ কোটি কোটি লোকৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি অভিহিত কৰে।

০০০০০০০০০

দেশৰ প্ৰতিৰক্ষা উদ্যোগত এক লাখ ৫০ হাজাৰ কোটি টকা মূল্যৰ সামগ্ৰী উৎপাদন কৰা হৈছে। একেদৰে প্ৰতিৰক্ষা সঁজুলি ৰপ্তানিৰ পৰিমাণে ২৩ হাজাৰ কোটি টকাৰ নিৰিখ অতিক্ৰম কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি মৰক্কোত এই কথা প্ৰকাশ কৰে। দেশখনৰ ৰাবাটত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ লগতে কয়, যে ভাৰতে সম্প্ৰতি এশ খনতকৈও অধিক ৰাষ্ট্ৰলৈ প্ৰতিৰক্ষা সঁজুলি ৰপ্তানি কৰি আছে। বিগত দশকটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সৰ্বাত্মক অগ্ৰগতি লাভ কৰিছে বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় আৰু ভূ-ৰাজনৈতিক দিশৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হৈও দেশখন বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ভাৰতে পূৰ্বৰ একাদশ স্থানৰ পৰা উন্নীত হৈ সম্প্ৰতি চতুৰ্থ বৃহৎ অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰাৰ লগতে অচিৰেই প্ৰথম তিনিটাৰ ভিতৰত স্থান লাভ কৰাৰ সম্ভাৱনা আছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

কালিৰ এই মত বিনিময়ৰ সময়ত ভাৰতীয় সম্প্ৰদায়ে অপাৰেচন সিন্দূৰৰ সময়ত দেশৰ সশস্ত্ৰ বাহিনীয়ে গ্ৰহণ কৰা ভূমিকা তথা সক্ৰিয়তাক ভূয়সী প্ৰশংসা কৰে। এই প্ৰসংগত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে বিষয়টোক লৈ সশস্ত্ৰ বাহিনী পূৰ্ণ প্ৰস্তুতিৰে অগ্ৰসৰ হোৱাৰ উপৰি পেহেলগামত নিৰিহ ভাৰতীয় নাগৰিকৰ ওপৰত সংঘটিত কাপুৰুষোচিত আক্ৰমণৰ প্ৰত্যুত্তৰ দিবৰ বাবে তেওঁলোকক পূৰ্ণ স্বাধীনতা অৰ্পণ কৰা হৈছিল।

উল্লেখযোগ্য যে এইবেলি প্ৰথমবাৰৰ বাবে ভাৰতৰ এগৰাকী প্ৰতিৰক্ষা মন্ত্ৰীয়ে দক্ষিণ আফ্ৰিকাৰ দেশখন ভ্ৰমণ কৰে। শ্ৰী সিঙৰ এই ভ্ৰমণে ভাৰত আৰু মৰক্কোৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰাটোকো সূচাইছে বুলি বিভিন্ন মহলত চৰ্চা হৈছে।

০০০০০০০০০

ৰাজ্যৰ সংগীত ক্ষেত্ৰত বৃহৎ শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা জ্ঞাপন কৰিছে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে।

শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি  সন্ধিয়া দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত কেবিনেট বৈঠকত জুবিন গাৰ্গৰ শেষকৃত্য যোৰাবাটৰ সমীপৰ কমাৰকুছিত কাইলৈ সম্পন্ন কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। পৰিয়ালৰ ইচ্ছা অনুসৰি এই সিদ্ধান্ত লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সেই স্থানতে প্ৰিয় শিল্পীগৰাকীৰ সমাধিক্ষেত্ৰ নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। জনতাৰ শিল্পীগৰাকীৰ চিতাভস্মৰে যোৰহাট জিলাতো এখন সমাধিক্ষেত্ৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰীসভাই  সিদ্ধান্ত লয়।

বাইট

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি নিশা কমাৰকুছিৰ নিৰ্ধাৰিত ক্ষেত্ৰ পৰিদৰ্শন কৰে। শিল্পীগৰাকীৰ শেষকৃত্যৰ বাবে এই ঠাইখিনি সাজু কৰি তুলিবলৈ প্ৰয়োজনীয় সকলো কাম কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ৰাজ্যিক মৰ্যাদাৰে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। এই সময়ছোৱাত সকলো চৰকাৰী-বেচৰকাৰী বিদ্যালয়, অন্যান্য প্ৰতিষ্ঠান তথা চৰকাৰৰ কাৰ্যসূচীসমূহ বন্ধ থাকিব। কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ থাকিব।

জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে তেওঁৰ মৃত্যুৰ বিষয়টোৰ তদন্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰিছে।

ইপিনে, ছিংগাপুৰস্থিত ভাৰতৰ উচ্চায়ুক্তই জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত দিয়া প্ৰমাণপত্ৰত পানীত ডুবি শিল্পীগৰাকীৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০০০০

**সমাপ্ত**